# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-NOV-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***

—————————————————

উত্তৰ-পূবৰ আঞ্চলিক ৰাজনৈতিক দলসমূহক একত্ৰিত তথা ঐক্যবদ্ধ কৰাৰ লক্ষ্যৰে কালি নতুন দিল্লীত এখন নতুন ৰাজনৈতিক মঞ্চ গঠনৰ বাবে অঞ্চলটোৰ কেইবাগৰাকীও ৰাজনৈতিক নেতাই এখন বিশেষ বৈঠকৰ আয়োজন কৰে। এই মঞ্চখনে ৰাষ্ট্ৰীয় পৰ্যায়ত অঞ্চলটোৰ সমস্যাসমূহ তুলি ধৰিব। দিল্লীৰ কনষ্টিটিউচন ক্লাবত 'ৱান নৰ্থ-ইষ্ট' শীৰ্ষক এখন সংবাদ মেল সম্বোধন কৰি এন পি পিৰ সভাপতি তথা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ শক্তিশালী ভৱিষ্যতৰ বাবে এনেদৰে একত্ৰিত হৈ আগবঢ়াটো সময়ৰ আহ্বান। বিজেপিৰ মিত্ৰদল আৰু নেডাৰ অংশীদাৰ হোৱাৰ পাছতো নতুন আঞ্চলিক মঞ্চ গঠনৰ প্ৰয়োজন আছে বুলি তেওঁ উল্লেখ কৰে। কোনো সম্প্ৰদায় অথবা সংখ্যালঘুৰ বিৰোধিতা নকৰাকৈ নিজৰ অধিকাৰৰ কথা মুক্তভাৱে প্ৰকাশ কৰিব নোৱাৰাসকলৰ অধিকাৰ ৰক্ষাৰ বাবে এই মঞ্চখনে কাম কৰি যাব বুলি তেওঁ কয়।

সংবাদমেলত ত্ৰিপুৰাৰ টিপ্ৰা মোথাৰ অধ্যক্ষ প্ৰদ্যুত বিক্ৰম মানিক্য দেৱবাৰ্মাই উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজনৈতিক শক্তি একগোট হৈ সমস্যাবোৰ উপস্থাপন কৰিলে ই ফলপ্ৰসূ হ'ব বুলি মত প্ৰকাশ কৰে আৰু বৈঠকখন এই ক্ষেত্ৰত এটা সুন্দৰ আৰম্ভণি হৈছে বুলি মন্তব্য কৰে। শক্তিশালী ঐক্যবদ্ধ উত্তৰ-পূৰ্বাঞ্চল গঢ়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যাসমূহ নতুন দিল্লীত ফলপ্ৰসূভাৱে উত্থাপন কৰাৰ বাবে সুনিৰ্দিষ্ট পৰিকল্পনা যুগুত কৰাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। এই আলোচনাত নাগালেণ্ডৰ প্ৰাক্তন মন্ত্ৰী এম কিকন, অসমৰ ডিমা হাচাও জিলাৰ পিপলছ পাৰ্টি অব্ আছামৰ নেতা ডেনিয়েল লাংথাছাকে ধৰি কেইবাগৰাকীও আঞ্চলিক ভাবধাৰাৰ নেতাই অংশগ্ৰহণ কৰে।  উল্লেখযোগ্য যে এই ৰাজনৈতিক মঞ্চ গঠনৰ বাবে এখন ৯ জনীয়া সমিতি গঠন কৰা হৈছে। সমিতিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজনৈতিক দলৰ সৈতে আলোচনা কৰি ৪৫ দিনৰ ভিতৰত মঞ্চ গঠনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ **মাজুলীৰ** কেইবাখনো মঞ্চত কালিৰে পৰা অনুষ্ঠিত ৰাস মহোৎসৱ উপভোগ কৰাৰ বাবে বহু লোকৰ সমাগম হৈছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত তিনিদিনীয়াকৈ কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হৈছে। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটীকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হৈছে। ৰাসৰ পৰিপ্ৰেক্ষিতত কাইলৈ মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

একেদৰে **চৰাইদেউ** জিলাৰ মোহনগাঁও ৰজাপুখুৰী বৰনামঘৰত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। মহোৎসৱত আজি ভাওনা প্ৰদৰ্শন কৰাৰ লগতে কাইলৈ আৰু পৰহিলৈ মহাৰাস প্ৰদৰ্শন কৰা হ'ব।

**শিৱসাগৰ** নগৰৰ ঢুলীয়াপাৰত চাৰিদিনীয়াকৈ অনুষ্ঠিত ৰাস মহোৎসৱ কালি মন্ত্ৰী যোগেন মহনে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কালি ৰাস মহোৎসৱত কৃষ্ণৰ ৰাস লীলাৰ শিশুলীলা খণ্ড পৰিৱেশন কৰা হয়। ৰাস মহোৎসৱ উদ্বোধন কৰি মন্ত্ৰী যোগেন মহনে এইদৰে কয়-

**বাইট (যোগেন মহন)**

যোৰহাট, গোলাঘাট, তিনিচুকীয়াৰ বিভিন্ন স্থানতো আজিৰ পৰা ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে।

০০০০০০

ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাৰ পৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, নৃত্যানুষ্ঠানৰ আয়োজন কৰা হ'ব। লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। কামৰূপ মহানগৰ জিলাৰ কাৰ্যসূচীত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত বৰ্ডিং খেলপথাৰত মৃত্যুবাৰ্ষিকীত ড০ ভূপেন হাজৰিকাক আজি স্মৰণ কৰা হ'ব। অনুষ্ঠানত ৫ হাজাৰ লোকে মানৱ শৃংখল কৰি সুধাকণ্ঠৰ **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰিব।

**তিনিচুকীয়া** জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। **কাৰ্বি আংলং** জিলাৰ ডিফু কাছা ষ্টেডিয়ামতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৫ হাজাৰ শিল্পীয়ে মানৱশৃংখল কৰিব। সুধাকণ্ঠৰ অমৰসৃষ্টি **মানুহে মানুহৰ বাবে** গীতটিৰ পৰিৱেশনেৰে হাওৰাঘাট আৰু বোকাজান মহকুমাৰ পৰা শিল্পী, জ্যেষ্ঠ নাগৰিক, ছাত্ৰ-ছাত্ৰী আৰু সাংস্কৃতিক সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত এই মানৱশৃংখল গঢ়ি তোলা হ'ব।

সুধাকণ্ঠৰ মৃত্যুৰ দিন উপলক্ষে **চৰাইদেউ** জিলা প্ৰশাসনে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। জিলাখনৰ ৩ হাজাৰ শিল্পীয়ে আজি সুধাকণ্ঠৰ কেইবাটাও গীত পৰিৱেশন কৰিব। মন্ত্ৰী যোগেন মহনে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ নিৰ্দেশমৰ্মে **যোৰহাট** জিলা প্ৰশাসনেও বিশ্ববৰেণ্য শিল্পীগৰাকীৰ মৃত্যুবাৰ্ষিকী পালন কৰিব। এই অনুষ্ঠানৰ অংশ স্বৰূপে যোৰহাট ষ্টেডিয়ামৰ লগতে তিতাবৰ, টীয়ক আৰু মৰিয়নী সমজিলাত পৃথকে পৃথকে কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। জিলা পৰ্যায়ৰ কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশ ল'ব।

০০০০০০

সমাপ্ত